# ভক্তপ্ৰাণ প্ৰহ্লাদ

## ক – পাঠভিত্তিক ক্ৰিয়া

**প্ৰশ্ন ১। উত্তৰ দিয়া ।**

**( ক ) ভক্তপ্ৰাণ প্ৰহ্লাদ ’ নাটিকাখনৰ মুখ্য চৰিত্ৰকেইটাৰ নাম লিখা ।**

উত্তৰঃ ভক্তপ্ৰাণ প্ৰহ্লাদ’নাটিকাখনৰ মুখ্য চৰিত্ৰকেইটা হ’ল – হৰি ( ত্ৰিজগতৰ ত্ৰাণকৰ্তা , ভক্তবৃন্দৰ উপাস্য দেৱতা ) হিৰণ্যকশিপু ( দৈত্যৰাজ , হৰিৰ চিৰবৈৰী ) প্ৰহ্লাদ ( হিৰণ্যকশিপুৰ পুত্ৰ , ভগৱানৰ একান্ত ভক্ত ) ষণ্ডামৰ্ক ( দৈত্য গুৰু) মহাৰাণী ( হিৰণ্যকশিপুৰ পত্নী , দৈত্যৰাণী , প্ৰহ্লাদৰ মাক )

**( খ ) নাটিকাখনি কেইটা দৃশ্যত বিভক্ত ?**

উত্তৰঃ নাটিকাখনি ৫ টা দৃশ্যত বিভক্ত ।

**( গ ) প্ৰহ্লাদৰ পিতৃৰ নাম কি ?**

উত্তৰঃ প্ৰহ্লাদৰ পিতৃৰ নাম হ’ল হিৰণ্যকশিপু ।

**( ঘ ) হিৰণ্যকশিপুৰ ভাতৃৰ নাম কি আছিল ?**

উত্তৰঃ  হিৰণ্যকশিপুৰ ভাতৃৰ নাম হিৰণ্যাক্ষ আছিল ।

**( ঙ ) হৰিৰ প্ৰতি প্ৰহ্লাদৰ কেনে ভক্তি আছিল ?**

উত্তৰঃ হৰিৰ প্ৰতি প্ৰহ্লাদৰ অচলা ভক্তি আছিল । হৰিৰ প্ৰতি থকা এই ভক্তিৰ কাৰণেই তেওঁ মৃত্যুকে ভয় নকৰিছিল ।

**( চ ) প্ৰহ্লাদক অসুৰৰ শাস্ত্ৰজ্ঞান দিবলৈ কাক নিযুক্তি দিয়া হৈছিল ?**

উত্তৰঃ প্ৰহ্লাদক অসুৰৰ শাস্ত্ৰজ্ঞান দিবলৈ দৈত্যগুৰু ষণ্ডামৰ্কক নিযুক্তি দিয়া হৈছিল ।

**( ছ ) ত্ৰিজগতৰ পতি বুলি প্ৰহ্লাদে কাক কৈছিল ?**

উত্তৰঃ  ত্ৰিজগতৰ পতি বুলি প্ৰহ্লাদে হৰিক কৈছিল ।

**( জ ) স্ফটিক স্তম্ভটোৰ পৰা ওলাই অহা আধা মানুহ আধা সিংহৰ ৰূপটোৰ নাম কি ?**

উত্তৰঃ স্ফটিক  স্তম্ভটোৰ পৰা ওলাই অহা আধা মানুহ আধা সিংহৰ ৰূপটোৰ নাম হ'ল- 'নৰসিংহ' । ই বিষ্ণুৰ অন্য এক ৰূপ বা অৱতাৰ ।

**( ঝ ) অসুৰৰ শাস্ত্ৰখনৰ নাম কি ?**

উত্তৰঃ অসুৰৰ শাস্ত্ৰখনৰ নাম বামানয় শাস্ত্ৰ ।

**প্ৰশ্ন ২। লিখা**

**( ক ) কি ভাবত তন্ময় হৈ আছা প্ৰহ্লাদ ? তােমাৰ কাষত আহি মই ৰৈছোঁহি , তুমি গমেই পাােৱা নাইনে ? —এই কথাষাৰ প্ৰহ্লাদক কোনে কৈছিল ? সেই সময়ত প্ৰহ্লাদ কি ভাবত তন্ময় হৈ  আছিল?**

উত্তৰঃ এই কথাষাৰ প্ৰহ্লাদক তেওঁৰ জ্যেষ্ঠভাতৃয়ে কৈছিল । প্ৰহ্লাদে সেই সময়ত সুন্দৰ প্ৰকৃতিৰ সৃষ্টিকৰ্তা হৰিৰ মহিমাৰ কথা চিন্তা কৰি আছিল ।

**( খ ) স্ফটিক স্তম্ভ ভাঙি প্ৰভু নৰসিংহ ওলাই আহি কি কৰিছিল ? তেওঁৰ গৰ্জনত দৈত্যসৱৰ কেনে অৱস্থা হৈছিল ?**

উত্তৰঃ স্ফটিক স্তম্ভ ভাঙি প্ৰভু নৰসিংহ ওলাই আহি হিৰণ্যকশিপুক সামান্য এক পতংগৰ দৰে ধৰি নিজৰ উৰুত পেলাই লৈ নখেৰে বিদাৰি বধ কৰিছিল । তেওঁৰ গৰ্জনত সকলাে দৈত্য ভয়ত কম্পমান হৈ মূৰ্ছা প্ৰায় হৈছিল ।

**প্ৰশ্ন ৩। চমুকৈ লিখা—**

**( ক ) প্ৰহ্লাদে হৰিভক্তিৰ মহিমাৰ বিষয়ে দেখুওৱা যুক্তিবােৰ একাদিক্ৰমে লিখা ।**

উত্তৰঃ প্ৰহ্লাদে হৰিভক্তিৰ মহিমাৰ বিষয়ে এনেদৰে যুক্তি দেখুৱাইছে যে হৰি ত্ৰিভুবনৰ গৰাকী , ন্যায়ৰ মূৰ্তি । হৰিৰ মহিমা স্মৰণ কেতিয়াও অনুচিত বুলিব নাােৱাৰি । তেওঁৰ মহিমাই মৃত্যুভয় থাকিলেও মুকলিকৈ সঁচা কথা ক'বলৈ সাহস যাােগায় ।

ত্রিজগতৰ পতি হৰিৰ মহিমাক কোনেও অৱজ্ঞা কৰিব নাোৱাৰে । হৰিৰ মহিমাই সকলাে বিপদৰ পৰা ৰক্ষা কৰে । প্ৰহাদৰ একান্ত যুক্তি হ'ল " ৰাখে হৰি মাৰে কোনে " । প্ৰহ্লাদৰ বিশ্বাস এই ধৰিত্ৰীৰ আকাশ , বতাহ , বায়ু , পানী সকলাােতে পৰমপিতা হৰি সুপ্ত হৈ আছে । হৰি নাােহাােৱা ঠাই নায়েই ।

**( খ ) বামানয় শাস্ত্ৰজ্ঞান ল'বলৈ প্ৰহ্লাদে কিয় আপত্তি কৰিছিল ?**

উত্তৰঃ প্ৰহ্লাদ আছিল হৰিৰ একান্ত ভক্ত । অসুৰৰ শাস্ত্ৰ অৰ্থাৎ বামানয় শাস্ত্ৰ আছিল হৰিবিৰাােধী । সেয়ে প্ৰহ্লাদে অসুৰৰ শাস্ত্ৰজ্ঞান ল'বলৈ আপত্তি কৰিছিল ।

**( গ ) হৰিক দৈত্যবংশৰ চিৰবৈৰী বুলি দৈত্যৰাজ হিৰণ্যকশিপুই কিয় কৈছিল ?**

উত্তৰঃ  হৰিক দৈত্যবংশৰ চিৰবৈৰী বুলি দৈত্যৰাজ হিৰণ্যকশিপুই এইকাৰণেই কৈছিল যে হৰিয়ে তেওঁৰ সহাােদৰ হিৰণ্যাক্ষক বৰাহৰূপ ধাৰণ কৰি দাঁতেৰে খুচি হত্যা কৰিছিল ।

**( ঘ ) পিতৃক ক্ষমা কৰি দিবলৈ প্ৰহ্লাদে নৰসিংহৰূপী হৰিক কি বুলি কাকূতি কৰিছিল ?**

উত্তৰঃ পিতৃক ক্ষমা কৰি দিবলৈ প্ৰহ্লাদে নৰসিংহৰূপী হৰিক এইবুলি কাকূতি কৰিছিল– 'হে হৰি , আমাৰ সকলাােকে শুভ বুদ্ধি নি আপুনি আমাক ৰক্ষা কৰক । পিতৃৰ সকলাে দোষ মাৰ্জনা কৰি তেওঁক ক্ষমা কৰক ।

**( ঙ ) ষণ্ডামৰ্কই প্ৰহ্লাদক বামানয় শাস্ত্ৰজ্ঞান দিবলৈ কি কি বুজনি দিছিল ?**

উত্তৰঃ যণ্ডামৰ্কই প্ৰহ্লাদক বামানয়ৰ শাস্ত্ৰজ্ঞান দিবলৈ এনেদৰে বুজনি দিছিল — ' চোৱা ৰাজকুমাৰ প্ৰহ্লাদ , তাােমাৰ কণ্ঠত হৰিনামে শাােভা নাপায় । তুমি হ'লা দৈত্যবংশৰ পুত্ৰ , দেৱতাৰ জয়গান গাােৱাটো তাােমাৰ বাবে উচিত হাােৱা নাই । সেয়েহে আহা , বামানয় শাস্ত্ৰ পঢ়া , য'ত আছে দৈত্যবংশৰ পৰম্পৰাৰ শিকীয় অনেক কথা ।

তাৰাােপৰি এনেদৰে কৈছিল— ' হৰিভক্তিৰ মহিমা বৰ্ণনাৰ পৰা তুমি বিৰত থকা , নহলে জানাই নহয় , তাােমাৰ পিতৃ দৈত্যৰাজৰ ক্ৰোধাগ্নিয়ে সকলাােকে ভস্ম কৰি পেলাব ।'

**( চ ) প্ৰহ্লাদে গুৰুদ্বয়ৰ বুজনি কিয় মানি লাােৱা নাছিল ?**

উত্তৰঃ প্ৰহ্লাদে গুৰুদ্বয়ৰ বুজনি এই কাৰণেই মানি লাৰো নাছিল যে সেই বুজনি আছি হৰিৰ মহিমা বিৰোধী । প্ৰহ্লাদ আছিল হৰিৰ মহিমা বৰ্ণনা কৰা একান্ত হৰিভক্ত । একান্ত হৰিভক্তই হৰি বিৰোধী বুজনি কেতিয়াও মানি ল'ব নোৰাৰে ।

**প্ৰশ্ন ৪। ব্যাখ্যা কৰা ।**

**' ভাৰতীয় ভক্তিধাৰাৰ ঐতিহ্যত প্ৰহ্লাদৰ কাহিনী হ'ল এক গৌৰৱময় সংযোজন ।'**

উত্তৰঃ কথাফাকি ' ভক্তপ্ৰাণ প্ৰহ্লাদ ' পাঠটিৰ পৰা লোৱা হৈছে । কথাফাকিৰ জৰিয়তে ভাৰতীয় পৰম্পৰাগত ভক্তিধাৰাৰ ঐতিহ্যকেই প্ৰকাশ কৰা হৈছে ।

ভাৰতীয় ভক্তিধাৰা হৈছে বৈষ্ণৱ ধৰ্ম । বিষ্ণুৰ মহিমা কীৰ্তন , চৰ্চা আৰু ধ্যানেই এই ভক্তিধাৰাৰ মূল । এই ধৰ্ম বা ভক্তিৰ মতে বিষ্ণু বা হৰি হ'ল ত্ৰিজগতৰ পতি , এই সুন্দৰ প্ৰকৃতিৰ সৃষ্টিকৰ্তা । তেৱেঁই সকলোকে সৃষ্টি কৰিছে , পালন কৰিছে , আৰু প্ৰয়োজনত ধ্বংসও কৰিছে ।

'ৰাখে হৰি মাৰে কোনে ' – এই মতবাদেই ভাৰতীয় ভক্তিধাৰাৰ একমাত্ৰ বিশ্বাস । প্ৰহ্লাদৰ কাহিনীৰ জৰিয়তে এই মতবাদেই প্ৰচাৰিত হৈছে আৰু প্ৰমাণিত হৈছে । সেই কাৰণে এই কাহিনী ভাৰতীয় ভক্তিধাৰাৰ ঐতিহ্যত এক গৌৰৱময় সংযোজন ।

**প্ৰশ্ন ৫।'মোৰ বিনাশ , হাঃ হাঃ হাঃ । বাধেকৰোঁ তোমালোকৰ জ্ঞাত নহয় যে মোক মানুহ অথবা জন্তুৱে বধ কৰিব নোৱাৰে । আনহাতে মোৰ মৃত্যু দিনৰ ভাগতো নহয় আৰু ৰাতিও নহয়। সেয়েহে মই নিশ্চিত , সহজে নহয় মোৰ বিনাশ ।এই সংলাপটো কোনে কাক কৈছে ? লিখা ।**

উত্তৰঃ 'হৰিৰ বিৰুদ্ধাচৰণ কৰিলে আপোনাৰ অমংগল অথবা বিনাশৰো সম্ভাৱনা আছে ' বুলি যেতিয়া হৰিভক্ত প্ৰহ্লাদে হৰিবিৰোধী পিতৃ হিৰণ্যকশিপুক কলে তেতিয়া , হিৰণ্যকশিপুই প্ৰহ্লাদক এই কথাষাৰ কৈছিল ।

## খ-ভাষা অধ্যয়ন ( ব্যাৱহাৰিক ব্যাকৰণ )

**প্ৰশ্ন ৬ তলত উল্লেখ কৰা সমূহ ব্যস্ত বা সমস্যমান পদ , সমস্ত পদ আৰু বাস বাক্য হিচাবে দেখুৱাই এখন তালিকা যুগুত কৰা**

**ত্ৰিভুন , হতাহতি , পৰ্বত গম্ভীৰ , ত্ৰিজগত , সিংহাসন**

উত্তৰঃ

**ব্যস্ত বা সমস্য মান পদ সমস্ত পদ**

১। তিনি ভুবনৰ সমাহাৰ।

২। পৰস্পৰে হাতে হাতে কৰা যি কৰা যি যুদ্ধ।

৩। পৰ্বতৰ নিচিনা গম্ভীৰ।

৪। তিনি জগতৰ সমাহাৰ।

৫। সিংহখাোচিত আসন।

**সমস্ত পদ**

১। ত্ৰিভুবন।

২। হতাহতি।

৩। পৰ্বত গম্ভীৰ।

৪। ত্ৰিজগত।

৫। সিংহাসন।

**ব্যাস বাক্য**

১। তিনি ভুবনৰ সমাহাৰ।

২। পৰস্পৰে হাতে হাতে কৰা যি কৰা যি যুদ্ধ।

৩। পৰ্বতৰ নিচিনা গম্ভীৰ।

৪। তিনি জগতৰ সমাহাৰ।

৫। সিংহখোচিত আসন ।

**প্ৰশ্ন ৭। এটা শব্দত প্ৰকাশ কৰি লিখা**

**( ক ) যাৰ সাহস আছে**

উত্তৰঃ  সাহসী , সাহিয়াল ।

**( খ ) যি ঈশ্বৰক বিশ্বাস কৰে**

উত্তৰঃ ঈশ্বৰ বিশ্বাসী , আস্তিক ।

**( গ ) যি বিষ্ণুক উপাসনা কৰে**

উত্তৰঃ বৈষ্ণৱ ।

**( ঘ ) একে মাকৰ সন্তান**

উত্তৰঃ সহাোদৰ , সহাোদৰা ।

**( ঙ ) যি সঁচা কথা কয়**

উত্তৰঃ সত্যবাদী ।

**( চ ) যাক দেখা নাযায়**

উত্তৰঃ অদৃশ্য ।

**প্ৰশ্ন ৮। বাক্য ৰচনা কৰা**

**চিৰবৈৰী , হিংসা – দ্বেষ , আকাশ – পাতাল , গৰিমা , চালে চকুৰাোৱা , শয়নে – সপাোনে ।**

উত্তৰঃ **চিৰবৈৰী :-** হিৰণ্যকশিপুৱে হৰিক চিৰবৈৰী বুলি ভাবিছিল ।

**হিংসা – দ্বেষ :-** সমাজৰ পৰা হিংসা – দ্বেষ আঁতৰ হলেহে শান্তি স্থাপন হয় ।

**আকাশ – পাতাল :-** বিপদত অধৈৰ্য হৈ আকাশ – পাতাল চিন্তা কৰি থাকিলে বিপদৰ পৰা উদ্ধাৰ পাব নাোৰাৰি ।

**গৰিমা :-** সৎ লাোকৰ গুণ – গৰিমাক প্ৰশংসা কৰিব লাগে ।

**চালে চকুৰাোৱা :-** কোঠাটো চালে চকুৰাোৱাকৈ সজাই তুলিছে ।

**শয়নে – সপাোনে :-** প্ৰহ্লাদে শয়নে – সপাোনে একমাত্ৰ হৰিৰ মহিমাকে চিন্তা কৰি আছিল ।

## গ – জ্ঞান সম্প্ৰসাৰণ

**প্ৰশ্ন ৯। চমু উত্তৰ দিয়া ।**

**( ক ) ষণ্ডামৰ্কৰ পিতৃৰ নাম কি ?**

উত্তৰঃ ষণ্ডামৰ্কৰ পিতৃৰ নাম শুক্ৰাচাৰ্য আছিল ।

**( খ ) বিষ্ণুৱে প্ৰধানকৈ কেইটা অৱতাৰ ধাৰণ কৰিছিল ?**

উত্তৰঃ বিষ্ণুৱে প্ৰধানকৈ দহটা অৱতাৰ ধাৰণ কৰিছিল ।

**( গ ) বিষ্ণুৰ চতুৰ্থ অৱতাৰটো কি ?**

উত্তৰঃ বিষ্ণুৰ চতুৰ্থ অৱতাৰটো হ’ল বামন অৱতাৰ ।

**( ঘ ) বামানয় শাস্ত্ৰ কি ?**

উত্তৰঃ বামানয় শাস্ত্ৰ হ’ল- হৰি বিৰোধী শিক্ষা থকা অসুৰৰ শাস্ত্ৰ ।

## ঘ প্ৰকল্প

**১০। আমাৰ সমাজৰ সামাজিক শৃংখলা বজাই ৰাখিবলৈ আৰু মানৱীয় প্ৰমূল্যক গুৰুত্ব দিবলৈ সমাজৰ মহান ব্যক্তিসকলে বিভিন্ন নীতি কথা প্ৰকাশ কৰি থৈ**

**গৈছে । যেনে- ‘অহিংসাই  পৰম ধৰ্ম ।’ এনেধৰণৰ নীতি কথা সংগ্ৰহ কৰি লিখা আৰু শ্ৰেণী কোঠাত ওলােমাই থােৱা ।**

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজেই কৰা ।

**১১। দৈনিক বাতৰি কাকতত প্ৰকাশ পােৱা অমানৱীয় ঘটনাৰ বাতৰি সংগ্ৰহ কৰি তাৰ কাৰণবােৰ লিখা আৰু তােমাৰ মতামত ব্যক্ত কৰা ।**

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজেই কৰা ।